# ভাৰতে কানাডাৰ সন্মুখত শক্তিশালী প্ৰতিবাদ সাব্যস্ত কৰে

মাৰ্চ 26, 2023

চলিত সপ্তাহত কানাডাত আমাৰ কূটনৈতিক অভিযান আৰু বাণিজ্য দূতাৱাসৰ বিৰুদ্ধে বিচ্ছিন্নতাবাদী আৰু চৰমপন্থী লোকসকলৰ দ্বাৰা লোৱা ব্যৱস্থাৰ ওপৰত আমাৰ শক্তিশালী মতামত ব্যক্ত কৰিবলৈ কালি কানাডাৰ উচ্চ আয়ুক্তগৰাকীক মাতি পঠোৱা হয়।

ভাৰত চৰকাৰে আৰক্ষীৰ উপস্থিতিত কেনেদৰে এনে সন্ত্ৰাসমূহে আমাৰ কূটনৈতিক অভিযান আৰু বাণিজ্য দূতাৱাসৰ সুৰক্ষা উলংঘা কৰিব পাৰিলে তাৰ বাবে কৈফিয়ৎ তলব কৰে।

কানাডা চৰকাৰক ভিয়েনা সন্মিলনৰ অধীনত ইয়াৰ কৰ্তব্যসমূহ সোঁৱৰাই দিয়া হয় আৰু এনে ঘটনাত জড়িত হিচাপে ইতিমধ্যে চিনাক্ত কৰা লোকসকলৰ ওপৰত গ্ৰেপ্তাৰ আৰু আইনগত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

আশা কৰা হৈছে যে কানাডা চৰকাৰে আমাৰ ৰাষ্ট্ৰদূতসকলৰ সুৰক্ষা আৰু দূতাৱাসসমূহৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ সকলোধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব  যাতে তেওঁলোকে স্বাভাৱিক কূটনৈতিক কাৰ্য-কলাপসমূহ পূৰ কৰিবলৈ সক্ষম হয়।

নতুন দিল্লী
মাৰ্চ 26, 2023